জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নংঃ ৭৯৭/২০২০**

# আজলী আই (বা-ভগা) থানৰ সাংস্কৃতিক গৱেষণা কেন্দ্ৰ আৰু আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ আদৰ্শৰে আমাৰ নতুন প্ৰজন্ম আগুৱাই যাব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সদৌ অসম মায়ামাৰা সাংস্কৃতিক সমাজ আৰু আজলী আই ( বা-ভগা ) থান পৰিচালনা সমিতিৰ যৌথ উদ্যোগত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পুঁজিৰে নিৰ্মাণ হ'বলগীয়া আজলী আই ( বা-ভগা) থানৰ সাংস্কৃতিক গৱেষণা কেন্দ্ৰ, অতিথি গৃহ আৰু পকী দেৱাল, প্ৰেক্ষাগৃহ তথা অসম দৰ্শন আঁচনিৰ অধীনত থানখনৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজলী আই (বা-ভগা) সাংস্কৃতিক কেন্দ্ৰ গৃহৰ শুভ উদ্বোধন কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এপিডিচিএলৰ দ্বাৰা থানখনত নিৰ্মাণ কৰা ৫ কিলোৱাট শক্তিসম্পন্ন সৌৰচালিত শক্তি কেন্দ্ৰৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে আজলী আই থান প্ৰাঙ্গনত অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাজুলীৰ ৰাইজ অতিশয় কষ্টসহিষ্ণু আৰু সংস্কৃতিৱান। জিলাখনৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনধাৰা অতি শক্তিশালী। মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে আমাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনধাৰা শক্তিশালী কৰি থৈ গৈছে। আমি সেই পথেৰে আগুৱাই যাব লাগিব। এই গৰাকী মহাপুৰুষৰ নামেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এখন ক্ৰীড়া বিশ্ববিদ্যালয় গঢ়ি তুলিছে। ৰাজ্যখনৰ নতুন প্ৰজন্মই যাতে গুৰুজনাৰ আদৰ্শৰে পৰিচালিত হৈ ৰাজ্যখনক আগুৱাই নিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সাংস্কৃতিক জীৱনধাৰা শক্তিশালী কৰাৰ ক্ষেত্ৰত সকলো জাতি-জনগোষ্ঠীৰ লগতে মাজুলীৰ সাংস্কৃতিক ঐতিহ্যৰ বিশিষ্ট অৱদান আছে। তেওঁ লগতে কয় যে মাজুলীৰ সংস্কৃতি আৰু ঐতিহ্যক অক্ষুণ্ণ ৰাখি ৰাজ্য চৰকাৰে মাজুলীৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে কাম কৰি আহিছে। ৰাজ্য চৰকাৰে 'অসম দৰ্শন'ৰ লগতে বিভিন্ন আঁচনি আৰু পদক্ষেপ হাতত লৈ সত্ৰসমূহৰ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰি আহিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত লখিমপুৰ লোক সভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাইও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ , অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, মাজুলী জিলাৰ উপায়ুক্ত

বিক্ৰম কৈৰী, বিশিষ্ট সমাজকৰ্মী প্ৰমোদ বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে দীপক দাসৰ ‘কালানুক্ৰমত আজলী আই ( বা-ভ গা) থান সত্ৰ’ আৰু জিতুল দাসৰ ‘বৈষ্ণৱবাদৰ ছাঁ-পোহৰত মায়ামাৰা সংস্কৃতি’ গ্ৰন্থ দুখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

**ৰাঃবঃ / পুঃডেঃ / বঃভাঃ**

**২৮/১১/২০২০**